**জনসংযোগ, অসম** **চি এম পি আৰ চেল, প্ৰেছ বাৰ্তা ঃ ২৫৭**

# হাইলাকান্দি জিলাৰ চৰকাৰী কাম-কাজৰ পৰ্যালোচনা কৰিলে মুখ্যমন্ত্ৰীয়ে

## দীনদয়াল উপাধ্যায় গ্ৰামজ্যোতি আঁচনিৰ কাম নিৰ্দ্ধাৰিত সময়ৰ ভিতৰত সম্পূৰ্ণ কৰাৰ বাবে মুখ্যমন্ত্ৰীৰ কঠোৰ নিৰ্দেশ

**দিছপুৰ, ২ মে' ঃ** মুখ্যমন্ত্ৰী সৰ্বানন্দ সোণোৱালে আজি কুম্ভীৰগ্ৰাম বিমান বন্দৰৰ পৰা শিলচৰ-হাইলাকান্দি-কৰিমগঞ্জৰ মাজেৰে যোৱা পথটো আটক ধুনীয়াকৈ নিৰ্মাণ কৰাৰ লগতে পৰ্যটকৰ দৃষ্টি আকৰ্ষণ কৰিব পৰা সমলেৰে সমৃদ্ধ কৰিবলৈ গড়কাপ্তানি বিভাগক নিৰ্দেশ দিয়ে। আনহাতে হাইলাকান্দিত ৰূপায়িত হৈ থকা দীনদয়াল উপাধ্যায় গ্ৰামজ্যোতি আঁচনি ৰূপায়ণৰ কাম নিৰ্দ্ধাৰিত সময়ৰ ভিতৰতে সম্পূৰ্ণ কৰাৰ বাবেও নিৰ্দেশ দিয়ে। আজি হাইলাকান্দি আৱৰ্ত ভৱনত চৰকাৰী বিভাগ সমূহৰ কাম-কাজৰ পৰ্যালোচনামূলক বৈঠকত মুখ্যমন্ত্ৰীয়ে এই নিৰ্দেশ প্ৰদান কৰে। উল্লেখ্য যে হাইলাকান্দি জিলাত উইণ্ড পাৱাৰ নামৰ সংস্থাটোৱে ৰূপায়ণ কৰি থকা দীনদয়াল উপাধ্যায় গ্ৰামজ্যোতি আঁচনিৰ কাম-কাজ সময়নিৰ্দ্ধাৰিত ভাৱে সম্পন্ন কৰাৰ বাবে বৈঠক চলি থকাৰ সময়তে মুখ্যমন্ত্ৰীয়ে ব্যক্তিগতভাৱে টেলিফোন যোগে কোম্পানীটোৰ পৰিচালন সঞ্চালক গৰাকীক নিৰ্দেশ দিয়ে। নিৰ্দ্ধাৰিত সময়ৰ ভিতৰত কাম সম্পাদন কৰিব নোৱাৰিলে তেওঁলোকৰ ওপৰত যাৱতীয় বিহিত ব্যৱস্থা লোৱাৰ লগতে কোম্পানীটোক ব্লেক লিষ্টেড কৰিব বুলিও মুখ্যমন্ত্ৰীয়ে কয়।

বৈঠকত অসম-মিজোৰাম সীমান্তত অবৈধ বেদখলৰ বিষয়টো গুৰুত্ব সহকাৰে আলোচনা কৰা হয়। মুখ্যমন্ত্ৰীয়ে উপায়ুক্ত, আৰক্ষী অধীক্ষক আৰু বন বিভাগক সীমান্ত অঞ্চল পৰিদৰ্শন কৰি সীমান্তৰ স্থিতি সম্পৰ্কে চৰকাৰৰ ওচৰত প্ৰতিবেদন দাখিল কৰিবলৈ নিৰ্দেশ দিয়ে। চৰকাৰী আঁচনি ৰূপায়ণৰ ক্ষেত্ৰত হোহোকা-পিছলা মানসিকতা সহ্য কৰা নহ'ব বুলি উল্লেখ কৰি মুখ্যমন্ত্ৰীয়ে কয় যে প্ৰধান মন্ত্ৰীৰ আৱাস যোজনা ৰূপায়ণৰ ক্ষেত্ৰত তৎপৰ ব্যৱস্থা গ্ৰহণ কৰিব লাগিব। মুখ্যমন্ত্ৰীয়ে এই ক্ষেত্ৰত এক কাৰ্যকৰী ব্যৱস্থা গঢ় দিয়াৰ বাবে উপায়ুক্তক নিৰ্দেশ দিয়াৰ লগতে জুন মাহৰ ভিতৰত সকলো অসম্পূৰ্ণ কাম সম্পূৰ্ণ কৰাৰ বাবেও নিৰ্দেশ দিয়ে।

মুখ্যমন্ত্ৰী সোণোৱালে কয় যে বৰাক আৰু ব্ৰহ্মপুত্ৰ উপত্যকাৰ সম উন্নয়নত অসম চৰকাৰে গুৰুত্ব আৰোপ কৰিছে আৰু এই উদ্দেশ্যে বাস্তৱায়িত কৰাৰ বাবে চৰকাৰী বিষয়া কৰ্মচাৰী সকলক নিষ্ঠাৰে নিজৰ দায়িত্ব পালন কৰিবলৈ আহ্বান জনায়। বহু বছৰ ধৰি বৰাক উপত্যকা উন্নয়নৰ পৰা বঞ্চিত হৈ আহিছে বুলি উল্লেখ কৰি মুখ্যমন্ত্ৰী সোণোৱালে কয় যে চৰকাৰী আঁচনি সমূহৰ সঠিক ৰূপায়ণৰ জৰিয়তে স্বাস্থ্য, শিক্ষা, নিয়োগ আদি সকলো ক্ষেত্ৰতে নতুন সুযোগ সৃষ্টি কৰিব লাগিব। মুখ্যমন্ত্ৰীয়ে প্ৰতিগৰাকী ব্যক্তিকে সমভাৱে গুৰুত্ব প্ৰদানৰ মানসিকতাৰে কাম কৰিবলৈও আহ্বান জনায়। তেওঁ লগতে কয় যে চৰকাৰী কৰ্মচাৰীসকলে জনগণৰ আৱেগ-অনুভূতি বুজি উঠিব লাগিব আৰু অন্তঃকৰণেৰে

তেওঁলোকৰ সমস্যা উপলব্ধি কৰিব লাগিব যাতে শাসন ব্যৱস্থাৰ প্ৰতি জনসাধাৰণৰ আস্থা আৰু বিশ্বাস বৃদ্ধি পায়। নিম্ন পৰ্যায়ৰ চৰকাৰী কৰ্মচাৰীসকলো প্ৰশাসন ব্যৱস্থাৰ অবিচ্ছেদ্য সৈনিক বুলি উল্লেখ কৰি মুখ্যমন্ত্ৰীয়ে মন্তব্য কৰে যে তেওঁ নিজে এজন চাফাই কৰ্মী আৰু শাসন ব্যৱস্থাটো নিকা কৰি সুপ্ৰশাসন প্ৰতিষ্ঠা কৰাটো বৰ্তমানৰ ৰাজ্য চৰকাৰৰ মূল লক্ষ্য বুলিও তেওঁ কয়।

চৰকাৰী কাৰ্যালয়লৈ অহা যিকোনো ব্যক্তিয়ে যাতে সন্মান লাভ কৰে সেই দিশটোত গুৰুত্ব আৰোপ কৰিব লাগিব বুলি উল্লেখ কৰি মুখ্যমন্ত্ৰীয়ে কয় যে প্ৰশাসন ব্যৱস্থাটোৰ সৈতে জনসাধাৰণৰ একাত্মবোধ গঢ়ি তুলিবলৈ হ'লে চৰকাৰী বিষয়া-কৰ্মচাৰী সকলে চৰকাৰী কাৰ্যালয়ৰ ভিতৰত জনসাধাৰণৰ অভাৱ অভিযোগ সমূহ ধৈৰ্য সহকাৰে শুনিব লাগিব আৰু তেখেতে সকলে জনোৱা আবেদনৰ সদুত্তৰ লাভ কৰাটো নিশ্চিত কৰিব লাগিব। মুখ্যমন্ত্ৰীয়ে কয় যে বৰাক উপত্যকা যথেষ্ট পিছপৰি আছে আৰু এই অঞ্চলত পৰিৱৰ্তনৰ পথ প্ৰশস্ত কৰাৰ বাবে যোগাযোগ ব্যৱস্থাৰ আমূল পৰিৱৰ্তন সাধন কৰিব লাগিব। বৰাক উপত্যকালৈ বৈপ্লৱিক পৰিৱৰ্তন অনাটো চৰকাৰৰ বাবে ডাঙৰ প্ৰত্যাহ্বান। এই প্ৰত্যাহ্বান স্বীকাৰ কৰি ৰাজ্য চৰকাৰে বৰাকৰ জনসাধাৰণৰ মাজত স্বাভিমান বৃদ্ধি কৰাৰ লগতে গুণগত মানৰ কাম আৰু আঁচনি সমূহৰ সঠিক ৰূপায়ণৰ দ্বাৰা বৰাক ভূমিক উজলাই তুলিবলৈ প্ৰয়াস চলাইছে।

মুখ্যমন্ত্ৰীয়ে কয় যে কোটি কোটি টকাৰ ৰাজহুৱা ধন ৰাজহুৱা কামৰ বাবেহে ব্যৱহাৰ কৰিব লাগিব। ৰাজহুৱা ধনৰ অপব্যয় হ'লে তাৰ বিৰুদ্ধে কঠোৰ পদক্ষেপ গ্ৰহণ কৰা হ'ব। দুৰ্নীতিৰ বিৰুদ্ধে জেহাদ ঘোষণা কৰাৰ কথা উল্লেখ কৰি মুখ্যমন্ত্ৰী সোণোৱালে কয় যে দুৰ্নীতিত নিমজ্জিত হৈ থকা সকলে কঠোৰ শাস্তিৰ সন্মুখীন হ'ব লাগিব। চৰকাৰী আঁচনি সমূহ সঠিকভাৱে ৰূপায়ণ কৰাটো নিশ্চিত কৰাৰ বাবে মুখ্যমন্ত্ৰীয়ে চৰকাৰী বিষয়া সকলক ক্ষেত্ৰ পৰ্যবেক্ষণৰ লগতে আঁচনি সমূহ নিয়মীয়া পৰিদৰ্শন কৰিবলৈ নিৰ্দেশ দিয়ে। বৰাকৰ উন্নয়নত অসম চৰকাৰে প্ৰাধান্য দিছে বুলি উল্লেখ কৰি মুখ্যমন্ত্ৰী সোণোৱালে গুণগত মানদণ্ডৰ কাম সম্পাদন কৰাৰ বাবে মান সম্পন্ন ঠিকাদাৰ নিয়োগ কৰাৰ ওপৰত গুৰুত্ব আৰোপ কৰে। মুখ্যমন্ত্ৰীয়ে লগতে কয় যে এই ক্ষেত্ৰত কৌশল বিকাশৰ বাবে অসম চৰকাৰে ব্যৱস্থা গ্ৰহণ কৰিছে। ৰাজ্য চৰকাৰে যুৱ উদ্যোগীসকলক অনুপ্ৰাণিত কৰাৰ বাবে প্ৰয়াস চলাইছে। মুখ্যমন্ত্ৰীয়ে চৰকাৰী কৰ্মচাৰীসকলৰ মনত আইন ব্যৱস্থা তথা বিভাগীয় নীতি-নিয়মৰ প্ৰতি এক ভয় ভাৱ ৰখাৰ ওপৰতো গুৰুত্ব আৰোপ কৰে। চৰকাৰী নীতি নিয়ম ভংগ কৰিলে বিষয়া-কৰ্মচাৰীসকলক দৃষ্টান্তমূলক শাস্তি প্ৰদান কৰা হ'ব বুলিও মুখ্যমন্ত্ৰীয়ে কয়। মুখ্যমন্ত্ৰীয়ে জনস্বাস্থ্য কাৰিকৰী, এপিডিচিএল, প্ৰধান মন্ত্ৰীৰ আৱাস যোজনা, বন, গড়কাপ্তানি, শিক্ষা, পৰিবহন, স্বাস্থ্য আদি বিভাগ সমূহৰ কাম-কাজৰো পৰ্যালোচনা কৰে।

আজিৰ এই পৰ্যালোচনা মূলক বৈঠকত গড়কাপ্তানি মন্ত্ৰী পৰিমল শুক্লবৈদ্য, বিধান সভাৰ উপাধ্যক্ষ দিলীপ পাল, কেইবাগৰাকী বিধায়ক, উপায়ুক্তকে আদি কৰি বিভিন্ন বিভাগৰ মুৰব্বী বিষয়া সকলে অংশ গ্ৰহণ কৰে।

বীঃগঃ / বঃভাঃ / পুঃডেঃ
২/৫/২০১৭